# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-08-2025 **Time :** 1845 Hrs

## Assamese Evening Bulletin
## Headlines
-------------------

১। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিক বাল্য বিবাহৰ বিৰুদ্ধে প্ৰতিবাদ বুলি ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। বাল্য বিবাহ ৰোধ, চাইবাৰ অপৰাধকে ধৰি কেইবাটাও বিষয়ত অসম আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ গুৰুত্বপূৰ্ণ বৈঠক।

৩। ১৯৪৫ চনৰ ৬ আগষ্টত জাপানৰ হিৰোশ্বিমাত আমেৰিকাৰ পাৰমাণৱিক বোমা বৰ্ষণৰ কৰুণ স্মৃতিত আজি বিশ্বজুৰি হিৰোশ্বিমা দিৱস পালন।

৪। গোলাঘাটৰ দুই নম্বৰ নেঘেৰিবিলত ঘৰ খালী কৰিবলৈ অবৈধ দখলকাৰীক প্ৰশাসনৰ মাইকযোগে অন্তিম সকীয়নি। আৰু

৫। আই চি চি টেষ্ট বলিং ৰেংকিঙত মহম্মদ ছিৰাজ পঞ্চদশ স্থানলৈ উন্নীত।

০০০০০০০০

বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে বাল্য বিবাহৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হৈছে। ৰাজ্যৰ বহুখন জিলাৰ লগতে চাহ বাগিচা অঞ্চলসমূহৰ কন্যাসকলে বাল্য বিবাহ আৰু কম বয়সতে মাতৃত্বৰ বোজা বহন কৰিবলগীয়া পৰিস্থিতিত উদ্বিগ্নতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৭৫ বছৰ পাছতো এই ভয়াৱহ দিশটোৰ প্ৰতি সমাজ তথা চৰকাৰ উদাসীন হৈ আছিল। নিযুত মইনা আঁচনিখন এইক্ষেত্ৰত এখন প্ৰতিবাদৰ আঁচনি বুলি তেঁও মন্তব্য কৰে। ২০২৬ চনৰ ভিতৰত ৰাজ্যত বাল্য বিবাহ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ চৰকাৰ দৃঢ় সংকল্পবদ্ধ বুলিও তেওঁ মন্তব্য কৰে। এইবাৰ এই আঁচনিত ৰাজ্যৰ ৪ লাখৰো অধিক ছাত্ৰীক সামৰি ল'ব বুলিও তেওঁ প্ৰকাশ কৰে। এই আঁচনিখনে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ছাত্ৰীক সামৰি লৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে নতুন অসমৰ অগ্ৰগামী যাত্ৰাত ছাত্ৰীসকলে ইতিবাচক ভূমিকা গ্ৰহণ কৰিব লাগিব। ৰাজ্য চৰকাৰে সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভাৱনা আৰু সম্পদৰ দুৱাৰ মুকলি কৰিছে বুলিও মন্তব্য কৰে। চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰি সকলোৰে বাবে শিক্ষা নিশ্চিত কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

**(বাইট- চি এম)**

আজিৰ এই কেন্দ্ৰীয় কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ননীগোপাল মহন্ত উপস্থিত থাকে।

আনহাতে ৰাজ্যৰ আন আন প্ৰান্তত মন্ত্ৰী, বিধায়কে এই কাৰ্যসূচীৰ উদ্বোধন কৰে। ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, গোলাঘাট জিলাৰ বোকাখাতত মন্ত্ৰী অতুল বৰা, মৰিগাঁও জিলাৰ জাগীৰোডত মন্ত্ৰী পীযূষ হাজৰিকা, বাক্সাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিশ্বনাথত বিধায়ক প্ৰমোদ বৰঠাকুৰ

নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণৰ প্ৰ-পত্ৰ বিতৰণৰ কাৰ্যসূচীত উপস্থিত থাকে। উল্লেখযোগ্য যে মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ অহা ৰাষ্ট্ৰীয় মহিলা আয়োগৰ এটা দলে আজি ৰাজ্যৰ মুখ্য সচিব আৰু অসম আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে মহিলাসকলৰ সুৰক্ষাজনিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আয়োগৰ অধ্যক্ষ বিজয়া কিশোৰ ৰাহাতকাৰৰ নেতৃত্বৰ দলটোৱে আজি ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে বৈঠকত মিলিত হৈ ৰাজ্য চৰকাৰে মহিলাসকলৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। ইয়াৰ পাছতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত দলটোৱে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। দলটোৱে এখন ডিজিটেলী সুৰক্ষিত আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সচেতন সমাজ গঢ় দিয়াৰ বাবে মুকলি কৰা য়শোদা এ আই শীৰ্ষক পদক্ষেপৰ অধীনত আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত এখন কৰ্মশালাৰো আয়োজন কৰে। এই কৰ্মশালাত জনসাধাৰণৰ সুৰক্ষা আৰু ডিজিটেল অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত কিদৰে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ কৰিব পৰা যায় সেই বিষয়ে অৱগত কৰোৱা হয়। তেওঁলোকে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ৰাজ্যখনত বাল্য বিবাহ ৰোধ, চাইবাৰ অপৰাধকে ধৰি কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। চাইবাৰ অপৰাধৰ বলি হোৱাৰ পৰা মহিলাসকলক কিদৰে ৰক্ষা কৰিব পৰা যায় সেই বিষয়ে বৈঠকত বিতংভাৱে আলোচনা কৰা হয়। সাংবাদিকৰ আগত মহিলা আয়োগৰ অধ্যক্ষগৰাকীয়ে এইদৰে কয়ঃ

**--বাইট--**

শীৰ্ষ আৰক্ষী বিষয়াসকলে আজি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষগৰাকীক ৰাজ্যখনত মহিলাৰ বিৰুদ্ধে অপৰাধ ক্ৰমাত হ্ৰাস হোৱা, বাল্যবিবাহৰ বিৰুদ্ধে অভিযানকে ধৰি কেইবাটাও বিষয় দৃষ্টিগোচৰ কৰে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম আৰক্ষীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আদালতত অভিযোগনামা দাখিলৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছে আৰু দোষী সাব্যস্ত হোৱাৰ হাৰ বৃদ্ধি পাইছে। অসম চৰকাৰে গ্ৰহণ কৰা এনে পদক্ষেপসমূহক অধ্যক্ষগৰাকীয়ে প্ৰশংসা কৰাৰ লগতে এ আই সাক্ষৰ পদক্ষেপৰ অধীনত মহিলাসকলক কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰশিক্ষণ দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০

আজি ৬ আগষ্ট। ৮০ বছৰ পূৰ্বে আজিৰ তাৰিখত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰ হিৰোশ্বিমা চহৰত পাৰমানৱিক বোমা বিস্ফোৰণ ঘটোৱাৰ ফলত মুহূৰ্ততে প্ৰায় ৭৮ হাজাৰ লোকৰ মৃত্যু ঘটিছিল আৰু পৰৱৰ্তী পৰ্যায়ত কেইবালাখো লোকৰ মৃত্যু হোৱাৰ লগতে বৃহত সংখ্যক লোক ঘূণীয়া হৈছিল। ইয়াৰ তিনিদিন পাছত জাপানৰ নাগাচাকি চহৰতো আমেৰিকাই দ্বিতীয়টো পাৰমাণৱিক বোমাৰ বিস্ফোৰণ ঘটাইছিল। ইয়াতো কেইবা হাজাৰো লোকৰ প্ৰাণহানি হৈছিল। মানৱ জাতিক স্তম্ভিত কৰা এই পাৰমাণৱিক বোমাৰ ভয়াৱহতাৰ পৰা ভৱিষ্যতে মানৱ জাতিক ৰক্ষা কৰাৰ বাবে বিশ্বজুৰি আজিৰ দিনটো হিৰোশ্বিমা দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে আজি পুৱা হিৰোশ্বিমা চহৰত আয়োজিত

অনুষ্ঠানত বিশ্বৰ ১২০ দেশৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ আৰু সম্পূৰ্ণ পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ বাবে আহ্বান জনায়। হিৰোশ্বিমা দিৱস সম্পৰ্কত এয়া বিশিষ্ট বিজ্ঞানী তথা কবি ড০ বিপুলজ্যোতি শইকীয়া।

০০০০০০০০

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ পৰহিলৈ মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰিবিলত উচ্ছেদ চলাবলৈ সাজু হৈছে। আৰক্ষী, বন বিভাগৰ লোকে আজি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। উচ্ছেদৰ বাবে মাজত এটা দিন বাকী থকা অৱস্থাত প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰিবিল অঞ্চল খালী কৰাৰ বাবে শেষৰ বাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে নেঘেৰিবিলত উচ্ছেদ হ'বলগীয়া ২০৫ টা পৰিয়ালৰ ভিতৰত ৭৪ টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি কালি গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰিবিলৰ ৫৯ টা আৰু নামবৰ বনাঞ্চলত ১৫ টা পৰিয়াললৈ সাময়িকভাৱে সকাহ প্ৰদান কৰে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে।

০০০০০০০০

অসমীয়া জাতিক নিঃশেষ কৰিবলৈ চলোৱা কোনো অপচেষ্টা সহ্য কৰা নহ'ব আৰু তেনে লোকক আইনৰ গণ্ডীৰে ৰোধ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত সকীয়াই দিয়ে। মুখ্যমন্ত্ৰীয়ে কয়, যে জাতিটোৰ বৰঘৰত কোনো লোকে অবৈধভাৱে প্ৰৱেশ কৰিব খুজিলে মানুহে মাত মাতিবই। সঠিক সময়ত মাত নামাতিলে, সেই জাতিক কোনে উদ্ধাৰ কৰিব বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। ড০ শৰ্মাই আইন হাতত তুলি নোলোৱাকৈ অন্যায়ৰ বিৰুদ্ধে মাত মাতি যাবলৈ খিলঞ্জীয়া লোকসকলক আহ্বান জনায়।

০০০০০০০০

অসম গণ পৰিষদ দলে বিটিআৰৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব। দলটোৱে এইবাৰ একাংশ সমষ্টিত প্ৰাৰ্থী দিব। অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই আজি গোলাঘাটত এই কথা প্ৰকাশ কৰে। অসম নাগালেণ্ড সীমান্তৰ নেঘেৰীবিলৰ উচ্ছেদিত ভূমি নগাই নিজৰ বুলি কৰা দাবী সন্দৰ্ভত শ্ৰীবৰাই কয় যে দুয়োখন ৰাজ্যৰ আলোচনাৰ মাজেৰে এই সমস্যা সমাধান কৰা হ'ব

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত ভাৰত চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ – Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড০ সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

০০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীৰ উদ্যোগত আজি আমচাঙত বাল্য বিবাহ প্ৰতিৰোধ, পকছ' আইন, শিশু আৰু কিশোৰ অপৰাধ আইন বিষয়ক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। আমচাং চাহ বাগিচা আদৰ্শ হাইস্কুল কৰ্তৃপক্ষৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত কমেও ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পাণবজাৰ মহিলা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিজয়া দাসে এই অনুষ্ঠানত বাল্য বিবাহৰ ক্ষতিকাৰক দিশ আৰু পকছ' আইন, শিশু আৰু কিশোৰ অপৰাধ আইন, শিশু শ্ৰমিক সন্দৰ্ভত আলোকপাত কৰে। এই মত বিনিময় অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক বিত্তীয় প্ৰতাৰণাৰ অভিযোগ দাখিল কৰাৰ বাবে হেল্পলাইন

নম্বৰ ১৯৩০, জৰুৰী সহায়ৰ বাবে ১১২, শিশু শ্ৰমিক নাইবা শিশু সংক্ৰান্তীয় বিষয়ত ১০৯৮ আৰু মহিলা সংক্ৰান্তীয় বিষয়ত ১৮১ নম্বৰত যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়।

০০০০০০০০

ইংলেণ্ডৰ বিৰুদ্ধে অভেল টেষ্টত দৰ্শনীয় বলিং প্ৰদৰ্শন কৰাৰ সুবাদত আই চি চি টেষ্ট বলিং ৰেংকিঙত ভাৰতীয় বেগী বলাৰ মহম্মদ ছিৰাজ পঞ্চদশ স্থানলৈ উন্নীত হৈছে। টেষ্টখনত প্লেয়াৰ অৱ দা মেচৰ সন্মান লাভ কৰা ছিৰাজৰ ১২টা স্থানৰ উত্তৰণ ঘটি কেৰিয়াৰ শ্ৰেষ্ঠ পঞ্চদশ স্থান লাভ কৰিছে। ছিৰাজৰ সতীৰ্থ প্ৰসিদ্ধ কৃষ্ণৰো ৰেংকিঙত উত্তৰণ ঘটিছে। অভেল টেষ্টত মুঠ ৮টা উইকেট দখল কৰা প্ৰসিদ্ধ কৃষ্ণ ৫৯ সংখ্যক স্থানলৈ উন্নীত হৈছে। টেষ্ট বলিং ৰেংকিঙত ভাৰতীয় বেগী বলাৰ জছপ্ৰীত বুমৰাহৰ শীৰ্ষস্থান অক্ষুণ্ণ আছে। সেইদৰে টেষ্ট বেটিং ৰেকিঙত য়শস্বী জয়ছোৱাল পঞ্চম স্থানলৈ উন্নীত হৈছে।

০০০০০০০০

ধেমাজিৰ বৰপাটৰীয়া গাঁও নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধানশিক্ষক তথা সাহিত্যিক পদ্মেশ্বৰ দিহিঙীয়াৰ আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত দিহিঙীয়াৰ বয়স হৈছিল ৬৭ বছৰ। শিক্ষকতাৰ সমান্তৰালভাৱে সাহিত্য ক্ষেত্ৰত জড়িত দিহিঙীয়াই ধেমাজি জিলা সাহিত্য সভাৰ সম্পাদক আৰু সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। সৰবৰহী লোকজনৰ মৃত্যুত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে ধেমাজিৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০০০

তিনিচুকীয়া জিলাৰ পানীতোলাত বিষাক্ত মকৰাৰ কামোৰত এটি ৮ বছৰীয়া শিশুৰ মৃত্যু হয়। প্ৰথমে শিশুটিক ফাৰ্মাচিত চিকিৎসা প্ৰদান কৰা হয় যদিও যোৱা নিশা স্বাস্থ্যৰ অৱনতিৰ ফলত তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। অৱশ্যে চিকিৎসকে শিশুটিক মৃত ঘোষণা কৰে।

০০০০০০০০

সমাপ্ত